# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ১০ চেপ্তেম্বৰ তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোর্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ সৰ্বোত্তম মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় আৰু পবিত্ৰ গুণাৱলীৰ চমু বিৰৰণী**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কাল আৰু এই সময়ছোৱাত সংগঠিত হোৱা যুদ্ধ সম্পৰ্কে বৰ্ণনা চলি আছে। হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফত কালত দামাস্ক কেইবা মাহ জুৰি অৱৰোধ কৰি ৰখাৰ মাজতে হজৰত আবু বক্কৰ (ৰাঃ)ৰ মৃত্যুৰ পিছতহে মুছলমানসকলে তাত জয়লাভ কৰিবলৈ সক্ষম হৈছিল। যিহেতু এই ঘটনা হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফৎ কালত সংগঠিত হৈছিল গতিকে ইয়াৰ বিতং ব্যাখ্যা ইনশা আল্লাহ তেখেত (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনাৰ সময়ত উল্লেখ কৰা হ'ব। এতিয়া দামাস্ক বিজয়ৰ পিছত উদ্ভৱ হোৱা ঘটনা সম্পৰ্কে বৰ্ণনা কৰিম।

দামাস্ক জয় কৰাৰ পিছত হজৰত আবু উবেয়দা (ৰাঃ)য়ে হজৰত খালিদ বিন অলিদ (ৰাঃ)ক বিকাৰ যুদ্ধলৈ পঠাই দিয়ে; তাতে জয়লাভ কৰাৰ পিছত হজৰত খালিদ (ৰাঃ)য়ে মিছানুন নামক এটা সুতিৰ ফালে এটা সৈন্যদল প্ৰেৰণ কৰে। ৰোমিয় সকলৰ এটা সৈন্যদলে মুছলমান সকলক পিছফালৰ পৰা আক্ৰমণ চলাই বহুকেইজন মুছলমানক শ্বহীদ কৰি দিয়ে। এই সকল শ্বহীদৰ স্মৃতিত উক্ত সুতিৰ নাম হৈ পৰিছে আয়নুল শ্বোহাদা।

হজৰত আবু উবেয়দা (ৰাঃ)য়ে এজিদ বিন আবু ছুফিয়ানক দামাস্কত নিজৰ তলতীয়া প্ৰতিনিধি হিচাপে নিযুক্ত কৰে। এজিদে জিয়াদ বিন খলিফাক তদমুৰ আৰু আবু জোহেৰ ক্যায়চাৰীক ছনিয়া আৰু হুওৰানলৈ পঠাই দিছিল। কিন্তু উক্ত ঠাই বিলাকৰ বাসিন্দা সকলে মুছলমান সকলৰ লগত সন্ধি স্থাপন কৰিছিল। ছৰহাবিল বিন হোছনা (ৰাঃ)য়ে যুদ্ধত বিজয়ী হোৱাৰ ফলস্বৰূপে আৰদানৰ ৰাজধানী তব্ৰিয়াৰ ওপৰিও গোটেই দেশখন দখল কৰি লৈছিল। ইফালে হজৰত খালিদ (ৰাঃ)য়ে বিকা অঞ্চলত জয়লাভ কৰি ওভতি আহিছিল।

চন ১৪ হিজৰিত ফ্যাহেল বিজয় হৈছিল। হজৰত আবু উবেয়দা (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)লৈ লিখিছিল যে হাৰকিলে হামচত অৱস্থান কৰি দামাস্কলৈ সৈন্যদল প্ৰেৰণ কৰি আছে। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে

কৈছিল যে দামাস্ক হ'ল স্বামৰ দুৰ্গ আৰু কেন্দ্ৰস্থল; আগতে সেই ঠাইখন জয় কৰি লোৱা তাৰ পিছত ফ্যাহেনলৈ আশ্বাৰোহীৰ দল এটা পঠাই দিয়া। ৰোমিয় সৈন্যবাহিনীয়ে মুছলমান সকলৰ আক্ৰমণৰ সম্ভাৱনা দেখি নিজৰ চাৰিও ফালে থকা চৰজমিনত (সমভূমিত) পানী এৰি দিছিল। যাৰ ফলত সকলো বাট পথ বন্ধ হৈ পৰিছিল আৰু হৰকিলৰ সহায়ৰ উদ্দেশ্যে পঠোৱা সৈন্য গৈ দামাস্কত উপস্থিত হ'ব পৰা নাছিল। কিন্তু মুছলমান সকলে এনেকুৱা অৱস্থাতও সুপ্ৰতিষ্ঠিত থকা দেখি ঈছাই সকলে সন্ধিৰ প্ৰস্তাৱ আগবঢ়ায়। এনেদৰে ৰোমিয় সকলৰ কূটনীতি কূটকৌশলৰ আৰু অহংকাৰৰ কাৰণে হজৰত মুৱাজ বিন জবল (ৰাঃ)ৰ দূতালোচনা আৰু হজৰত আবু উবেয়দা (ৰাঃ)ৰ সৈতে প্ৰত্যক্ষ আলাপ-আলোচনা দুয়োটাই বিফল হয় আৰু যুদ্ধ ৰহিত কৰিব পৰা নাযায়। এই যুদ্ধৰ ইতিহাসত ৰোমিয় সকলৰ সৈন্য সংখ্যা ৫০,০০০ পৰা ১,০০০০০ ৰ ভিতৰত আছিল বুলি উল্লেখ আছে। যেতিয়া যুদ্ধ আৰম্ভ হৈছিল তেতিয়া মুছলমান সকলৰ যুদ্ধ নৈপুন্য দেখি ৰোমি সেনা নায়কে যুদ্ধ এৰি গুচি যাব বিচাৰে; কিন্তু হজৰত খালিদ (ৰাঃ)ৰ উৎসাহত মুছলমান সকলে প্ৰাণটাকি যুঁজ দিয়াৰ ফলত ৰোমিয় সৈন্য পিছহুহকি যাবলৈ বাধ্য হয়। ইফালে মুছলমান সকলে ঈছাই সকলৰ সহায়ৰ আশাত যুদ্ধত থমকি ৰৈ আছিল।কিন্তু হজৰত খালিদ (ৰাঃ)ৰ পৰামৰ্শত হজৰত আবু উবেয়দা (ৰাঃ)য়ে আগদিনালৈ যুদ্ধ চলাই গৈছিল। সেইদিনাখন এক ঘণ্টামান সময় তুমুল ৰণ হোৱাৰ পিছত ৰোমিয় সকলৰ ভৰি থৰক-বৰক হৈ পৰে আৰু যুদ্ধ ক্ষেত্ৰ এৰি পলায়ন কৰে। যুদ্ধত বিজয় লাভ হোৱাৰ পিছত হজৰত উমৰ (ৰাঃ)ৰ আদেশ অনুযায়ী তাৰে স্থানীয় লোক সকলৰ জান-মাল,ধন-সম্পদ,ঘৰ-দুৱাৰ,জমিন-জায়দাদ আৰু উপাসনালয় আদি তেওঁলোকক এৰি দিয়া হয় আৰু মুছলমান সকলে কেৱল মাত্ৰ মছজিদ নিৰ্মাণাৰ্থে ঠাই লৈ লয়।

বিজিত বেইছান,তব্ৰিয়া, উৰদান আদি অঞ্চলত ৰোমিয় সকলৰ পৰাজয়ৰ খবৰ ইতিমধ্যে প্ৰচাৰ হৈ পৰিছিল। গতিকে যেতিয়া ইয়াৰ বাসিন্দা সকলে ছৰহাবিল আৰু তাৰ লগৰীয়া সকলে বেইছানৰ ফালে আগবাঢ়ি অহাৰ খবৰ পাইছিল তেতিয়া তেওঁলোকে নিজৰ দুৰ্গত প্ৰস্তুত হৈ থিয় দিছিল। কেইদিনমান অৱৰোধ হৈ থকাৰ পিছত সামান্য সংঘৰ্ষ হোৱাৰ লগে লগে বেইছানৰ লোক সকলে সন্ধি স্থাপন কৰিছিল। এনেদৰে তব্ৰিয়াৰ বাসিন্দা সকলেও সন্ধিৰ প্ৰস্তাৱ আগবঢ়াইছিল আৰু এওঁলোকেও সন্মত হৈছিল। চন ১৪ হিজৰিত হীমচ বিজয় কৰিছিল। যেতিয়া হজৰত আবু উবেয়দা (ৰাঃ) আৰু হজৰত খালিদ বিন অলিদে হীমচ ঘেৰাও কৰি ৰাখিছিল তেতিয়া অতিমাত্ৰা শীতৰ দিন আছিল আৰু মুছলমান ফৌজৰ ওচৰত ঠাণ্ডা হিচাপে উপযুক্ত বস্তু বাহানি নাছিল। গতিকে ৰোমিয় সকলে ধাৰণা কৰিছিল যে মুছলমান সকলে বেছি দেৰিলৈ মুকলি পথাৰত ৰণ কৰিব নোৱাৰে। ইফালে হৰকিলে হীমচী সকলক সহায় কৰিবলৈ এটা সৈন্যসল প্ৰেৰণ কৰিছিল কিন্তু ইৰাকত হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)য়ে সেই সৈন্য দলক বাটতে অৱৰোধ কৰি ৰাখিছিল। হৰকিলে হামচ বাসীৰ সৈতে সহায়ৰ প্ৰতিশ্ৰুতি দি ৰুহালৈ গুচি গৈছিল। ইফালে হীমচৰ বাসিন্দা সকলে মুছলমান সকলৰ প্ৰতিপত্তি চাই সন্ধিৰ প্ৰস্তাৱ আগবঢ়াইছিল। যাৰ ফলত খেৰাজ আৰু জিজিয়া প্ৰদানৰ ভিত্তিত মুছলমানৰ সৈতে সন্ধি স্থাপন কৰিছিল।

চন ১৪ হিজৰিতেই মৰ্জেৰোমৰ সংঘৰ্ষ সংগঠিত হয়। হজৰত আবু উবেয়দা (ৰাঃ)আৰু হজৰত খালিদ (ৰাঃ)য়ে জুলকালা নামক ঠাইত ছাউনী পতাৰ খবৰ পাই হৰকিলে তুজৰাক মুছলমান সকলৰ মোকাবিলা কৰিবলৈ পঠাই দিয়ে। যেতিয়া এওঁ মৰ্জেৰোমত গৈ উপস্থিত হয় তেতিয়া স্বানিছ ৰোমীয়েও তাত গৈ উপস্থিত হৈছিল। এদিন ৰাতি যেতিয়া তুজৰায় নিজৰ ঠাই এৰি ওলাই আহে তেতিয়া হজৰত খালিদ (ৰাঃ)য়ে তাৰ পিছানুসৰণ কৰিছিল। আনফালে এজিদ বিন আবু ছুফিয়ানে তুজৰাৰ এই কাৰ্য্যৰ খবৰ পাই বাটতে তাক বাধা দিছিল। এনেদৰে

দুয়োফালৰ পৰা মুছলমান সকলে তুজৰাৰ সৈন্য সামন্তক আক্ৰমণ কৰি পৰাভুত কৰে। আনফালে মৰ্জেৰোমত আবু উবেয়দা (ৰাঃ)য়ে স্বানিছৰ লগত প্ৰতিদ্বন্দ্বিতা কৰি জয়লাভ কৰে।

ইয়াৰ পিছত হজৰত আবু উবেয়দা (ৰাঃ)য়ে হামাত,শ্বৈয়জৰ আৰু ছলমিয়া জয় কৰে আৰু স্বামৰ ছাহিলি চহৰ লাজকীয়ালৈ আগবাঢ়ি যায়। চন ১৪ হিজৰিতেই লাজকীয়া কৰতলীয়া হৈ পৰে। ইয়াতে এক যুদ্ধ কৌশল অৱলম্বন কৰি হজৰত আবু উবেয়দা (ৰাঃ)য়ে গাঁত খান্দি সৈন্য সামন্তলৈ লুকাই পৰিছিল আৰু ৰাতি নোপূৱাতেই অৱৰোধ উঠাই দিয়াৰ লগে লগেই মুছলমান সকলে আক্ৰমণ চলাই লাজকীয়া চহৰ দখল কৰিছিল।

চন ১৫ হিজৰিত কানছাৰিণ বিজয় হৈছিল। হজৰত আবু উবেয়দা (ৰাঃ)য়ে হজৰত খালিদ (ৰাঃ)ক কানছাৰিণলৈ পঠাই দিছিল। বাটতে হাজিৰ নামক ঠাইত ৰোমিয় সকলে মিনাছৰ নেতৃত্বত মুছলমান সকলৰ বিৰুদ্ধে যুঁজ দি পৰাজিত হৈছিল। আলকাৰ বাসিন্দা সকলে হজৰত খালিদ (ৰাঃ)ৰ ওচৰত আবেদন জনাইছিল যে তেওঁলোকক বলপূৰ্বক ভাৱে যুদ্ধত যোগ দিবলৈ বাধ্য কৰিছিল। গতিকে তেওঁলোকক ক্ষমা কৰিব লাগে। হজৰত খালিদ (ৰাঃ)য়ে তেওঁলোকৰ আপত্তি গ্ৰহণ কৰি লৈছিল যদিও কিছুমান ৰোমি লোকে তাৰ পৰা পলাই গৈ কানছাৰিণৰ এক দুৰ্গত আশ্ৰয় লয়। তাতে মুক্তিৰ কোনো উপায় নেদেখি কেইদিনমান পিছত মুছলমানৰ সৈতে সন্ধিৰ প্ৰস্তাৱ আগবঢ়ায় কিন্তু হজৰত খালিদ (ৰাঃ)য়ে তেওঁলোকক আদেশ অমান্য কৰাৰ অপৰাধত দণ্ডিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কানছাৰিণৰ বাসিন্দা সকলে ধন-সম্পদ আৰু পৰিয়াল পৰিজন এৰি প্ৰাণলৈ পলাই গৈছিল। যেতিয়া হজৰত আবু উবেয়দা (ৰাঃ)য়ে তাত গৈ উপস্থিত হৈছিল তেতিয়া তেখেত (ৰাঃ)য়ে হজৰত খালিদ (ৰাঃ)ক সিদ্ধান্তক ন্যায় সঙ্গত বুলি লৈছিল যদিও সহানুভূতিৰে চহৰৰ বাসিন্দা সকলক নিৰাপত্তা প্ৰদান কৰিছিল। যাৰ ফলত প্ৰাণলৈ পলাই যোৱা লোক সকলেও জিজিয়া প্ৰদানৰ চুক্তিৰ সাপেক্ষে ওভতি আহিছিল।

চন ১৫ হিজৰিত কায়ছাৰিয়া বিজয় হৈছিল। আলফাৰুকত লিখা আছে যে চন ১৩ হিজৰিত উমৰু বিন আচে কায়ছাৰিয়া আক্ৰমণ কৰিছিল। হজৰত আবু উবেয়দা (ৰাঃ)ৰ মৃত্যুৰ পিছত উমৰ (ৰাঃ)য়ে এজিদ বিন আবু ছুফিয়ানক কায়ছাৰিয়া আক্ৰমণ কৰাৰ আদেশ দিছিল। এখেত ১৭ হাজাৰ সৈন্য লৈ কায়ছাৰিয়া অৱৰোধ কৰি ৰাখিছিল। কিন্তু এখেতে ১৮ হিজৰিত বেমাৰত পৰা কাৰণে আমিৰ মোৱাবিয়াক নিজৰ দায়িত্ব অৰ্পন কৰি দামাস্কলৈ গুচি গৈছিল আৰু তাতেই এখেত (ৰাঃ)ৰ মৃত্যু হৈছিল। হজৰত মোৱাবিয়া (ৰাঃ)য়ে সেই অৱৰোধ জাৰি ৰাখিছিল। সেই যুদ্ধত এদিন বদৰি চাহাবী হজৰত আবাদা বিন ছামত (ৰাঃ)য়ে মুছলমান সকললৈ এক বেদনা ভৰা ভাষণ প্ৰদান কৰি কৈছিল যে হে মুছলমানসকল ! তোমালোকে ৰোমিয় সকলক আক্ৰমণ কৰি পৰাস্ত কৰিব পৰা নাই, ইয়াৰ কাৰণ হ'ল হয়তো তোমালোকৰ মাজত কোনোবো আত্মসাৎকাৰী লোক আছে অথবা মুখলিচ লোক আছে। ইয়াৰ পিছত এখেত (ৰাঃ)য়ে সত্যপ্ৰাণেৰে শ্বাহাদত বৰণৰ উপদেশ দিয়ে। অৱশেষত এদিন ৰোমি সকলে মুছলমানৰ সৈতে যুঁজ দিবলৈ ওলাই আহে আৰু শোচনীয় ভাৱে পৰাজিত হয় আৰু সেইদিনাখন ৮০ হাজাৰৰ পৰা ১ লাখ ৰোমি সৈন্য নিহত হৈছিল।

হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালৰ বৰ্ণনা আগলৈ আৰু চলিব বুলি উল্লেখ কৰাৰ পিছত হুজুৰ (আইঃ)য়ে তলত উল্লেখিত মৰহুমিনসকলৰ চমু পৰিচয় দিয়াৰ আৰু নমাজে জানাজা গায়েব পঢ়োৱাৰ বিষয়ে ঘোষণা কৰে।

প্ৰথম মৰহুমা হ'ল মকৰমা খাদিজা চাহিবা পত্নী মকৰম মৌলবী কে মহম্মদ আলবী চাহাব (প্ৰাক্তন মুবাল্লিগ কেৰেলা)। কেইদিনমান আগত ৮০ বছৰ বয়সত তাইৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। তাইৰ দেউতাক কনহি মহি উদ্দিন চাহাব কেৰেলাৰ প্ৰাথমিক আহমদী সকলৰ ভিতৰত এজন আছিল। মৰহুমায়

অতি সৰুতেই আহমদীয়ত গ্ৰহণৰ তৌফিক লাভ কৰিছিল। মৰহুমা বৰ ধৈৰ্যশীলা আৰু নমাজ ৰোজাত পাবন্দ আছিল দৰিদ্ৰ লোক আৰু অতিথি সকলৰ বৰ যত্ন লৈছিল। মৰহুমাৰ স্বামী এজন মোবাল্লিগ আছিল; কেতিয়াবা কেতিয়াবা ভ্ৰমণ আদিৰ কাৰণে বাহিৰত থাকিব লগীয়া হৈছিল। কিন্তু মৰহুমা তালৈ একো আপত্তি কৰা নাছিল বৰং সদায় হাঁহিমুখেৰে আল্লাহ তা'লাৰ শলাগ লৈছিল। তাই দুজন পুত্ৰ আৰু পাঁচজনী জীয়েকক এৰি ইহলীলা সম্বৰণ কৰিছে।মৰহুমা মুচি আছিল। এখেতৰ ল'ৰা মেহমুদ চাহাবও মোবাল্লিগ ছিলছিলা আছিল। তেওঁ ৫৪ বছৰ বয়সত লিভাৰ বিফল হৈ যোৱাত মৃত্যু বৰণ কৰিছে আৰু সৰু ল'ৰাজনে মোৱাল্লিম হিচাপে দ্বীনৰ খিদমত কৰি আছে আৰু পাঁচজনী জীয়েকৰেই মোবাল্লিগ ছিলছিলাৰ অন্তৰ্ভুক্ত ব্যক্তি সকলৰ লগত বিয়া হৈছে। আল্লাহ তা'লা মৰহুমাৰ সৈতে ক্ষমা আৰু দয়াৰ আচৰণ কৰক।

ইয়াৰ পিছৰজন মৰহুমৰ নাম হ'ল মকৰম মালিক চুলতান ৰাশিদ খান চাহাব অফ কোট ফাতাহ খান (প্ৰাক্তন আমিৰ জিলা আটক) এখেতে ২২ আৰু ২৩ আগষ্টৰ মাজৰ ৰাতি মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুম খিলাফতৰ প্ৰতি বৰ আনুগত্যশীল আৰু তবলিগৰ প্ৰতি বৰ উৎসাহী লোক আছিল। বৰ ইবাদতকাৰী আৰু দোৱা কৰোঁতা আৰু বিনম্ৰ আচৰণৰ লোক আছিল।

তাৰ পিছত মকৰম আব্দুল কাইউম চাহাব (ইণ্ডোনেচীয়া) ২৫ আগষ্টত ৮২ বছৰ বয়সত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুমা পাকিস্তানী মোবাল্লিগ মাউলানা আব্দুল ওৱাহেদ চাহাব ছুমাটৰিৰ পুত্ৰ আছিল। জনাবে নিজৰ দেশৰ বাবে লেখত ল'বলগীয়া সেৱা আগবঢ়াই থৈ গৈছে। মৰহুমে খিলাফতৰ সৈতে গভীৰ সম্পৰ্ক ৰাখিছিল।

ইয়াৰ পিছৰজন মৰহুমৰ নাম হ'ল মকৰম দাউদ ৰজাকী ইউনুচ চাহাব (বেনিন) চন ২০২১ ৰ ২৭ আগষ্টত ৭৪ বছৰ বয়সত ইউনুচ চাহাবৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুম বেনিনৰ প্ৰথম আহমদী সকলৰ এজন আছিল। বিজুলি আৰু পানী বিভাগৰ ডিৰেক্টৰ পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। এখেত এজন সৎকৰ্মী,নমাজী,তাহাজ্জুদ গোজাৰ,নেক আৰু মুখলিচ লোক আছিল। হজৰত মছীহ মাওউদ (আঃ) আৰু খলিফাসকলৰ প্ৰতি বৰ ভাল পোৱা ৰাখিছিল। গোটেই দিন মানৱ সেৱাত ব্ৰতী থাকিছিল। আল্লাহ তা'লা সকলো মৰহুমিনৰ মাগফিৰাত আৰু মৰ্যাদা উন্নীত কৰক। (আমীন)

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ. عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**